**উৰিষ্যা চৰকাৰ আৰু অন্যান্য**

**বনাম**

**সুকান্তি দেবি**

**২ ডিচেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. টি. নানাৱতী]**

*সেৱা আইন - ভৱিষ্যতে খালী হ'বলগীয়া পদত নিযুক্তিৰ বাবে ন্যায়াধিকৰণৰ আদেশ – তাৰ বৈধতা – উৰিষ্যা চৰকাৰ – মধ্য ইংৰাজী বিদ্যালয়সমূহ – উত্তৰদাতাক হিন্দী শিক্ষক হিচাপে তৃতীয় বৰ্গৰ পদত নিযুক্তি দিয়া যিটো অনুমোদিত পদ নাছিল – পৰিচালনা সমিতিৰ দ্বাৰা এনে এক নিযুক্তিৰ প্ৰয়োজনীয়তা স্বীকৃতিপ্ৰাপ্ত নোহোৱা – ১ মে', ১৯৯২ তাৰিখৰ চৰকাৰী নিৰ্দেশাৱলী – আদেশ দিয়া হ'ল যে যিহেতু মধ্য ইংৰাজী বিদ্যালয়সমূহত হিন্দী এক পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়, সেয়েহে মধ্য ইংৰাজী বিদ্যালয়সমূহত বৰ্তমানৰ হিন্দী শিক্ষকসকলক চাকৰি অব্যাহত ৰখাৰ অনুমতি দিয়াৰ প্ৰয়োজন নাছিল – ৰায় দিয়া হ'ল যে ন্যায়াধিকৰণৰ দ্বাৰা ভৱিষ্যতে খালী হ'বলগীয়া পদত উত্তৰদাতাক নিযুক্তি দিয়াৰ আদেশ সঠিক নাছিল।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১৫৭১২।

১৯৯৩-ৰ অ.এ. সংখ্যা ১৪৯৯-ত উৰিষ্যাৰ কটকত অৱস্থিত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ ২.৩.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীসকলৰ হৈ মিছ কীৰ্তি মিশ্ৰ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

বিলম্ব ক্ষমা কৰি দিয়া হৈছে।

অনুমতি প্ৰদান কৰা হ'ল।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন অ.এ. সংখ্যা ১৪৯৯/৯৩-ত কটকত অৱস্থিত উৰিষ্যা প্ৰশাসনিক ন্যায়াধিকৰণৰ ২ মাৰ্চ, ১৯৯৫ তাৰিখৰ আদেশৰ পৰা উদ্ভৱ হৈছে। যদিও উত্তৰদাতাক ৩০ ছেপ্টেম্বৰ, ১৯৯৬ তাৰিখে সূচনা জাৰি কৰা হৈছিল, তেওঁ হাজিৰ হোৱা নাছিল। গতিকে, তেওঁ হাজিৰ হয় নে তেওঁক অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়, সেয়া পৰ্যবেক্ষণ কৰিবলৈ আমি কাৰ্যবিধিৰ দ্বাৰা বিচাৰ্য বিষয়টো স্থগিত কৰিছিলোঁ। আনকি আজিও তেওঁ হাজিৰ হোৱা নাই।

একমাত্ৰ প্ৰশ্নটো হৈছে : তেওঁক ভৱিষ্যতে খালী হ'বলগীয়া পদত নিযুক্তি দিয়াৰ বাবে ন্যায়াধিকৰণৰ দ্বাৰা জাৰি কৰা আদেশটো আইনগতভাৱে বৈধ হয় নে? এয়া দেখা গৈছে যে তৃতীয় উত্তৰদাতাক এক তৃতীয় বৰ্গৰ পদত হিন্দী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল যিটো অনুমোদিত পদ নাছিল; তথা পৰিচালনা সমিতিৰ দ্বাৰা তেনে এক নিযুক্তিৰ প্ৰয়োজনীয়তা স্বীকৃতিপ্ৰাপ্তও হোৱা নাছিল। এয়াও লগতে দৰ্শোৱা হৈছে যে তেওঁৰ এই পদৰ বাবে অৰ্হতা নাছিল। আমি তেওঁ অৰ্হতাৰ প্ৰশ্নটোলৈ যোৱাৰ

প্ৰয়োজন নাই। এয়া দৰ্শোৱাই যথেষ্ট যে চৰকাৰে তেওঁলোকৰ ১ মে’, ১৯৯২ তাৰিখৰ পত্ৰত নিম্নলিখিত ধৰণে কৈছে যে :

> “মোক চৰকাৰী শিক্ষা বিভাগৰ ১৭.৩.১৯৯২ তাৰিখৰ পত্ৰ সংখ্যা ১৩৪০৯-ৰ প্ৰসংগ উত্থাপন কৰাৰ আৰু আপোনালোকক সূচিত কৰাৰ আদেশ দিয়া হৈছে যে যিহেতু মধ্য ইংৰাজী বিদ্যালয়সমূহত হিন্দী এক পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়, গতিকে মধ্য ইংৰাজী বিদ্যালয়সমূহৰ বৰ্তমানৰ হিন্দী শিক্ষকসকলক চাকৰি অব্যাহত ৰখাৰ অনুমতি দিয়াৰ প্ৰয়োজন নাই। গতিকে, এই সিদ্ধান্ত লোৱা হৈছে যে হিন্দী শিক্ষকসমূহ... যিসকল মধ্য ইংৰাজী বিদ্যালয়সমূহত কৰ্মৰত, তেওঁলোকক, মেট্ৰিকৰ চি.টি. (শিক্ষকতাৰ প্ৰমাণপত্ৰ) অৰ্হতা থাকিলে, মধ্য ইংৰাজী বিদ্যালয়সমূহত শিক্ষকৰ তৃতীয় বৰ্গৰ পদত সমাযোজন কৰা হ’ব। যদি তেওঁলোকৰ ভিতৰত কাৰোবাৰ... চি.টি (শিক্ষকতাৰ প্ৰমাণপত্ৰ)-ৰ অৰ্হতা নাই, তেন্তে তেওঁক কৰ্মৰত হিচাপে গৰমৰ বন্ধৰ ভিতৰত শিক্ষকতাৰ প্ৰমাণপত্ৰ আহৰণ কৰিবলৈ সুযোগ প্ৰদান কৰা উচিত... তেওঁক তেতিয়ালৈ অ-প্ৰশিক্ষিত শ্ৰেণীৰ দৰমহা প্ৰদানৰ অনুমতি দিয়া হ’ব। যদি কোনোবা মেট্ৰিক অনুত্তীৰ্ণ থাকে, তেন্তে তেওঁক এক অনুৰূপ চি.টি.(শিক্ষকতাৰ প্ৰমাণপত্ৰ)-ৰ অৰ্হতা আহৰণ কৰাৰ সুযোগ প্ৰদান কৰা উচিত। পূৰ্বৰ ক্ষেত্ৰত, আদেশ জাৰি কৰাৰ তিনি বছৰৰ ভিতৰত অৰ্হতা আহৰণ কৰা হ’ব আৰু মেট্ৰিক অনুত্তীৰ্ণৰ ক্ষেত্ৰত পাঁচ বছৰ সময়সীমাৰ ভিতৰত অৰ্হতা আহৰণ কৰা উচিত।”

ওপৰৰ কথাখিনিৰ পৰিপ্রেক্ষিতত এই আদেশ দিয়াৰ ক্ষেত্রত ন্যায়াধিকৰণ শুদ্ধ নাছিল।

এই আবেদন সেই অনুসৰি মঞ্জুৰ কৰা হ'ল। ব্যয় অবিহনে।

আবেদন মঞ্জুৰ কৰা হ'ল।

* * * * * * * *

*অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্রত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্রতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")